# 2017

# ASSAMESE

## ( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) "Poetry is spontaneous overflow of powerful feelings" কবিতা সম্পৰ্কে আগবঢ়োৱা উক্ত কথাষাৰ কোনে কৈছিল ?

(খ) 'বাঁহী' কাকতখনৰ সম্পাদক কোন আছিল ?

(গ) প্ৰথম অসমীয়া চনেট পুথিখনৰ নাম কি ?

(ঘ) 'কাৰবালা' শীৰ্ষক কবিতাৰ পুথিখন কাৰ ৰচনা ?

(ঙ) পাৰস্যৰ কবি ওমৰ খৈয়ামৰ 'ৰুবায়ত'ৰ অসমীয়ালৈ ভাঙনি কৰা যতীন্দ্ৰনাথ দুৱৰাৰ পুথিখনৰ নাম কি ?

(চ) নলীনিবালা দেৱীৰ প্ৰথম কবিতা-পুথিখনৰ নাম কি ?

(ছ) শেৱালিৰ কবি বুলি কাক আখ্যা দিয়া হয় ?

(জ) যুগসন্ধিৰ কবি বুলি কাক কোৱা হয় ?

(ঝ) হেম বৰুৱা ৰচিত কবিতাৰ সংকলন এখনৰ নাম লিখা।

(ঞ) নীলমণি ফুকনৰ কবিতা-পুথি এখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ১৯৪০-ৰ দশকত প্ৰকাশ পোৱা এখন আলোচনীৰ নাম লিখা আৰু আলোচনীখনৰ সম্পাদকগৰাকীৰ নাম উল্লেখ কৰা।

(খ) নৱকান্ত বৰুৱাৰ প্ৰথম কাব্যচয়নখনৰ নাম কি ? কাব্যচয়নখন কোন চনত প্ৰকাশ হৈছিল ?

(গ) ১৯৪৬ চনত কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত অকালতে প্ৰাণ হেৰুওৱা 'জয়ন্তী' যুগৰ উদীয়মান কবিগৰাকীৰ নাম কি ? তেওঁৰ এটি কবিতাৰ নাম উল্লেখ কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ দুটা লক্ষণ উল্লেখ কৰা।

(ঙ) সাম্প্ৰতিক কবিতাৰ ধাৰাৰ দুগৰাকী কবিৰ নাম উল্লেখ কৰা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া কাব্যসাহিত্যত ৰঘুনাথ চৌধাৰীৰ স্থান নিৰ্ণয় কৰা।

(খ) “নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ
সুখ-আশা পৰমপদৰ
ৰূপ-তৃষ্ণা চিৰসুন্দৰৰ।”

কবিতাফাঁকিৰ অন্তর্নিহিত ভাৱ স্পষ্ট কৰা।

(গ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা যুগুত কৰা।

(ঘ) ‘মমতাৰ চিঠি’ শীৰ্ষক কবিতাটোত মমতাৰ জীৱনৰ কাৰুণ্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

(ঙ) “দুৱৰাৰ কবিতাসমূহ সাৱলীল, কোমল, মধুৰ, স্বচ্ছন্দ গতিসম্পন্ন, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্ৰিক।” উক্ত কথাষাৰৰ যথাৰ্থতা নিৰূপণ কৰা।

(চ) ৰত্নকান্ত বৰকাকতিৰ ‘বিশ্বহৰণ’ নামৰ কবিতাটিৰ মূলভাৱ লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া কাব্যসাহিত্যলৈ ‘জোনাকী কাকত’ৰ অৱদান শীৰ্ষক এটি বিশ্লেষণ আগবঢ়োৱা।

(খ) তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত ‘কবি’ নামৰ কবিতাটোৰ আধাৰত চতুৰ্দ্দশপদী কবিতাৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰা।

(গ) দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোৰ আধাৰত দেৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) "বিষয়বস্তু, শব্দচয়ন, চিত্ৰকল্প (imagery), দৃষ্টিভংগী, আদৰ্শ, সমাজচেতনা—এই সকলো ক্ষেত্ৰতে বৰ্তমান কবিতা ৰোমাণ্টিক কবিতাৰ পৰা প্ৰভেদ।" নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ উল্লেখনেৰে কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত 'দ্ৰৌপদী' কবিতাটোত নাৰী-মনস্তত্ত্ব কিদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰা।

(চ) নীলমণি ফুকনৰ 'মুঠি মুঠিকৈ কাটি তোৰ ঢেকীয়াৰ আঙুলি' শীৰ্ষক কবিতাটোত অসমীয়া সমাজৰ গ্ৰাম্যজীৱনৰ সজীৱ চিত্ৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) উত্তৰ স্বাধীনতা যুগৰ কবিতাৰ ধাৰা সম্পৰ্কে এটি আলোচনা উদাহৰণসহ আগবঢ়োৱা।

(জ) ৰাম গগৈৰ 'নদী' শীৰ্ষক কবিতাটোত কবিৰ জীৱনৰ সৈতে নদীক কিদৰে সম্পৃক্ত কৰা হৈছে, বহলাই আলোচনা কৰা।

★★★